# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2023
**Time :** 19.10 hrs

*Assamese Evening Bulletin*
## HEADLINES

১। ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ মুদ্ৰা নীতি কমিটীয়ে ৰেপ' ৰেট পূৰ্বৰ ৬ দশমিক ৫-০ শতাংশতে অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, বিগত কেইটামান বছৰত বাওপন্থী সন্ত্ৰাসবাদ নিয়ন্ত্ৰণত যথেষ্ট সাফল্য অৰ্জন কৰিব পৰা গৈছে আৰু এই যুঁজ সম্প্ৰতি নিৰ্ণায়ক পৰ্যায়ত উপনীত হৈছে।

৩। ইৰাণৰ মানৱ অধিকাৰ কৰ্মী নৰ্গিছ মোহম্মদিক মহিলাৰ নিপীড়নৰ বিৰুদ্ধে কৰা সংঘৰ্ষৰ বাবে চলিত বৰ্ষৰ শান্তিৰ নবেল বঁটাৰে সন্মানিত কৰা হৈছে।

*আৰু*

৪। ভাৰতে আজি চীনৰ হাংচ'অ' অনুষ্ঠিত এছিয়ান গেমছত এটা সোণ, দুটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে।

০০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ মুদ্ৰা নীতি কমিটীয়ে ৰেপ' ৰেট অৰ্থাৎ আৰ বি আইয়ে বাণিজ্যিক বেংক অথবা বিত্তীয় প্ৰতিষ্ঠানসমূহক প্ৰদান কৰা ঋণৰ সূদৰ হাৰ পূৰ্বৰ ৬ দশমিক ৫-০ শতাংশতে অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুম্বাইত আজি অনুষ্ঠিত মুদ্ৰা নীতি কমিটীৰ বৈঠকৰ অন্তত আৰ বি আইৰ গভৰ্ণৰ শক্তিকান্ত দাসে কয় যে, কমিটীয়ে সৰ্বসন্মতি ক্ৰমে ৰেপ' হাৰ অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰিজাৰ্ভ বেংকৰ তৰফৰ পৰা জাৰি কৰা এটা বিবৃতি অনুসৰি স্থূল অৰ্থনৈতিক আৰু বিত্তীয় ঘটনা ক্ৰমৰ পুংখানুপুংখ মূল্যায়নৰ অন্তত একেৰাহে চতুৰ্থবাৰৰ বাবে ঘাই ঘাই সূদৰ হাৰসমূহ অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই অনুসাৰে এছ ডি এফ অৰ্থাৎ স্থায়ী জমা সুবিধা হাৰ ৬ দশমিক ২-৫ শতাংশ আৰু এম এছ এফ অৰ্থাৎ প্ৰান্তীয় স্থায়ী সুবিধা হাৰ ৬ দশমিক ৭-৫ শতাংশত অপৰিৱৰ্তিত থাকিব। বিবৃতিটোত লগতে বিলাহী আৰু অন্য শাক-পাঁচলিৰ মূল্য বৃদ্ধিৰ বাবে জুলাইত মুদ্ৰাস্ফীতি উৰ্ধগামী হোৱা বুলি উল্লেখ কৰা হৈছে। আগষ্টত এই মুদ্ৰাস্ফীতি আংশিকভাৱে হ্ৰাস পোৱা পৰিলক্ষিত হয়। ছেপ্টেম্বৰত মূল্য কম হোৱা বাবে মুদ্ৰাস্ফীতি তললৈ নামে। খাদ্য আৰু ইন্ধনৰ বাহিৰে বাকী সামগ্ৰীৰ মুদ্ৰাস্ফীতিৰ নিম্নগামী হাৰ অব্যাহত আছে যদিও গোটা দানা জাতীয় শস্য আৰু তৈল বীজৰ লেখীয়া খাৰিফ শস্যৰ খেতিৰ পৰিমাণ হ্ৰাস পোৱা আৰু গোলকীয় পৰ্যায়ত খাদ্য আৰু ইন্ধনৰ মূল্যৰ উত্থান পতনৰ বাবে মুদ্ৰাস্ফীতিক লৈ উদ্বেগ অব্যাহত আছে। আৰ বি আইৰ বিবৃতিটোত ২০২৩-২৪ বৰ্ষৰ বাবে দেশৰ প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৬ দশমিক ৫ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। দ্বিতীয় ত্ৰিমাসিকত এই হাৰ ৬ দশমিক ৫ শতাংশ, তৃতীয় ত্ৰিমাসিকত ৬ শতাংশ আৰু চতুৰ্থ ত্ৰিমাসিকত ৫ দশমিক ৭ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। ২০২৪-২৫ বৰ্ষৰ প্ৰথম ত্ৰিমাসিকৰ বাবে প্ৰকৃত মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৬ দশমিক ৬ শতাংশ হ'ব বুলিও বিবৃতিটোত অনুমান কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, বিগত কেইটামান বছৰত বাওপন্থী সন্ত্ৰাসবাদ নিয়ন্ত্ৰণত যথেষ্ট সাফল্য অৰ্জন কৰিব পৰা গৈছে  আৰু এই যুঁজ সম্প্ৰতি নিৰ্ণায়ক পৰ্যায়ত উপনীত হৈছে। নতুন দিল্লীত আজি বাওপন্থী সন্ত্ৰাসবাদ সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে।  বাওপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত ৰাজ্যসমূহত মুখ্যমন্ত্ৰী, উপ মুখ্যমন্ত্ৰী আৰু সংশ্লিষ্ট বিষয়াসকলে বৈঠকত অংশগ্ৰহণ কৰে। এই উপলক্ষে শ্ৰীশ্বাহে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব আৰু বাওপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত ৰাজ্যসমূহৰ সহযোগত ২০২২-২৩ বৰ্ষত এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিব পৰা গৈছে। এয়া পৰৱৰ্তী দুবছৰত বাওপন্থী সন্ত্ৰাসবাদ পুলিয়ে পোখাই উৎখাত কৰাৰ সংকল্প লোৱাৰ বছৰ বুলি তেওঁ উল্লেখ কৰে। শ্ৰীশ্বাহে কয় যে, ২০১৯ চনৰে পৰা সন্ত্ৰাসবাদী সক্ৰিয় হৈ থকা এলেকাৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাইছে। তেওঁ কয় যে, প্ৰভাৱিত এলেকাসমূহত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ১৯৫টা নতুন শিবিৰ স্থাপন কৰা হৈছে আৰু ৪৪টা নতুন শিৱিৰ স্থাপনৰ দিহা কৰা হৈছে।

০০০০০০০

ইৰাণৰ মানৱ অধিকাৰ কৰ্মী নৰ্গিছ মোহম্মদিক মহিলাৰ নিপীড়নৰ বিৰুদ্ধে কৰা সংঘৰ্ষৰ বাবে চলিত বৰ্ষৰ শান্তিৰ নবেল বঁটাৰে সন্মানিত কৰা হৈছে। তেওঁ এই সন্মান লাভ কৰা ১৯ সংখ্যক মহিলা। সম্প্ৰতি কাৰাগাৰত থকা নৰ্গিছ মোহম্মদি ইৰাণৰ আগশাৰীৰ মানৱ অধিকাৰ কৰ্মীসকলৰ ভিতৰত অন্যতম। তেওঁক ১৩ বাৰকৈ গ্ৰেপ্তাৰ আৰু ৫ বাৰকৈ দোষী সাব্যস্ত কৰা হৈছে। মানৱ অধিকাৰ কৰ্মীগৰাকীক মুঠ ৩১ বছৰ কাৰাদণ্ড আৰু ১৫৪ বাৰ বেত্ৰাঘাটেৰে দণ্ডিত কৰা হৈছে। শান্তিৰ নবেল বঁটা অহা ১০ ডিচেম্বৰত নৰোৱেৰ ৰাজধানী অ'শ্লোত প্ৰদান কৰা হ'ব। এই বঁটাত প্ৰায় ১০ লাখ ডলাৰ আছে।

০০০০০০০

মুম্বাইৰ গোৰেগাঁৱৰ আজাদ ময়দানৰ সমীপৰ এটা ৭ মহলীয়া অট্টালিকাত আজি পুৱতি নিশা হোৱা অগ্নিকাণ্ডত ৭ জন লোকে প্ৰাণ হেৰুৱায়। অগ্নি নিৰ্বাপক বাহিনীয়ে প্ৰায় ৫১ জন লোকক উদ্ধাৰ কৰে। তেওঁলোকৰ ভিতৰত ৪০ জনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইয়াৰে ৫ জনৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই অগ্নিকাণ্ডক লৈ গভীৰ শোকপ্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে নিহত ব্যক্তিসকলৰ নিকট আত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকা এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে আৰু প্ৰভাৱিত লোকসকলক সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষসমূহক নিৰ্দেশ দিয়ে।

০০০০০০০

নিৰ্বাচন আয়োগে নতুন দিল্লীত আজি ৫ খন ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচন সুচাৰু ৰূপে অনুষ্ঠিত কৰাৰ ৰণনীতি সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে নিৰ্বাচনী পৰ্যবেক্ষকসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। এই সাধাৰণ, আৰক্ষী আৰু ব্যয় পৰ্যবেক্ষক সকল ৰাজস্থান, মধ্যপ্ৰদেশ, ছত্তিশগড়, তেলেংগানা আৰু মিজোৰামলৈ যাব। এই পৰ্যবেক্ষকসকলে নিৰ্বাচনৰ সময়ত সকলোৰে বাবে সমান সুযোগ সুনিশ্চিত কৰাৰ বাবে নিৰ্বাচনী প্ৰক্ৰিয়াৰ নিৰীক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বৈঠকত মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্ত অনুপ চন্দ্ৰ পাণ্ডে আৰু অৰুণ গোৱেলে পৰ্যবেক্ষকসকলক সম্বোধন কৰে।

০০০০০০০

নৱম জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ সংসদৰ অধ্যক্ষৰ অভিৱৰ্তন, চমুকৈ পি-টুৱেণ্টি ১৩ আৰু ১৪ অক্টোবৰত নতুন দিল্লীত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, জি-২০ৰ অন্তৰ্গত পি-২০ হৈছে জি-২০ৰ দেশসমূহৰ সংসদৰ অধ্যক্ষসকলৰ এটা আলোচনা গোট আৰু ইয়াৰ লক্ষ্য হৈছে গোলকীয় শাসন ব্যৱস্থাত সংসদীয় মাত্ৰা সুনিশ্চিত কৰা। পি-২০ৰ মূল বিষয়বস্তু হৈছে এখন পৃথিৱী, এটা পৰিয়াল, এটা ভৱিষ্যতৰ বাবে সংসদ। আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰে যে, এই গোলকীয় কাৰ্যসূচীত সংসদৰ ২৫ গৰাকী অধ্যক্ষ, ১০ গৰাকী উপাধ্যক্ষৰ লগতে আন ৫০ গৰাকী সাংসদে অংশগ্ৰহণ কৰিব। তেওঁ লগতে কয় যে, এই অনুষ্ঠানতেই আফ্ৰিকীয় সংসদৰ অধ্যক্ষই পোন প্ৰথমবাৰৰ বাবে জি-২০ৰ কোনো বৈঠকত অংশগ্ৰহণ কৰিব। অভিৱৰ্তনখনত চাৰিটা সত্ৰ আয়োজিত হ'ব আৰু উদ্বোধনী সত্ৰত গণতন্ত্ৰৰ শক্তিৰ ওপৰত চৰ্চা কৰা হ'ব। আন সত্ৰসমূহত জলবায়ু পৰিৱৰ্তন, স্বাস্থ্য, শিক্ষা, কৃষি তথা শক্তিখণ্ডৰ ওপৰত গভীৰ পৰ্যালোচনা কৰা হ'ব বুলিও শ্ৰীবিৰলাই প্ৰকাশ কৰে।

0000000

পৱিত্ৰ গুহা তীৰ্থ শ্ৰীমাতা বৈষ্ণোদেৱী দৰ্শনৰ বাবে যোৱা ভক্তৰ সংখ্যা প্ৰতি মাহে ব্যাপক হাৰত বৃদ্ধি পাইছে। চলিত মাহৰ ছেপ্তেম্বৰ মাহলৈকে ৭৩ লাখৰো অধিক তীৰ্থযাত্ৰীয়ে মাতা বৈষ্ণোদেৱীৰ গুহা দৰ্শন কৰি দেৱীৰ চৰণত তেওঁলোকৰ ভক্তি নিবেদন কৰে। বছৰৰ শেষলৈকে দৰ্শনাৰ্থীৰ সংখ্যাই ১ কোটি অতিক্ৰম কৰিব বুলি আশা কৰা হৈছে। আসন্ন নৱৰাত্ৰিৰ সময়ছোৱাত তীৰ্থযাত্ৰীৰ ব্যাপক সমাগমলৈ চাই শ্ৰীমাতা বৈষ্ণোদেৱী মন্দিৰ ন্যাস পৰিষদে সকলো ধৰণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে বুলি পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অঞ্চুল গাৰ্গে জানিবলৈ দিছে।

0000000

ভাৰতে আজি চীনৰ হাংচ'অ' অনুষ্ঠিত এছিয়ান গেমছত এটা সোণ, দুটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতে পুৰুষৰ হকীৰ ফাইনেলত জাপানক ৫-১ গলৰ ব্যৱধানত পৰাভূত কৰি সোণৰ পদক হস্তগত কৰে। এই জয়ৰ সুবাদত ভাৰতীয় হকী দলটোৱে পেৰিছ অলিম্পিকলৈ যোগ্যতা আৰ্জন কৰে। ইয়াৰ বিপৰীতে ব্ৰীজত ভাৰতীয় পুৰুষ দলে হংকঙক পৰাভূত কৰি ৰূপৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে আৰ্চাৰীৰ ৰিকাৰ্ভ শিতানৰ দলীয় শাখাৰ ভিয়েটনামক ৬-২ ফলাফলত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। আনহাতে এই শিতানৰ ফাইনেলত ভাৰতীয় পুৰুষ দলে দক্ষিণ কোৰিয়াৰ হাতত পৰাভূত হৈ ৰূপৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়। একেদৰে ভাৰতৰ মহিলা দলে চেপাকটাক্ৰৰ ছেমি ফাইনেলত থাইলেণ্ডৰ হাতত পৰাভূত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে। ইপিনে, ছনমে মহিলাৰ ৬২ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত চীনৰ লং জিয়াক ৭-৫ ফলাফলত পৰাভূত কৰি ব্ৰঞ্জৰ পদক হস্তগত কৰে। সতীৰ্থ খেলুৱৈ কিৰণ বিষ্ণইয়ো মহিলাৰ ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত মংগোলিয়াৰ গানবাটক ৬-৩ ফলাফলত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ইপিনে পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাত ফ্ৰী ষ্টাইল শিতানত অমনে চীনৰ লিউ মিংঘুক ১১-০ ফলাফলত পৰাস্ত কৰি দেশৰ হকে ব্ৰঞ্জৰ পদক লাভ কৰে। একেদৰে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত এইছ এছ প্ৰণয়ে চীনৰ লি শ্বি ফেঙৰ হাতত ২-০ ফলাফলত পৰাভূত হৈ ব্ৰঞ্জৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়। ইপিনে, ভাৰতে আজি পুৰুষৰ ক্ৰিকেটৰ ছেমি ফাইনেলত বাংলাদেশক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ পুৰুষ কাবাডী দলেও পাকিস্তানক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত এতিয়ালৈকে ২২টা সোণ, ৩৪টা ৰূপ আৰু ৩৯টা ব্ৰঞ্জসহ মুঠ ৯৫টা পদক লাভ কৰিছে। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে আৰু ১০০টা পদকৰ লক্ষ্য পূৰণৰ দিশত অগ্ৰসৰ হৈছে।

০০০০০০০

পাকিস্তানে হায়দৰাবাদত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত নিজৰ প্ৰথমখন খেলত নেডাৰলেণ্ডছক ২৮৭ ৰানৰ বিজয় লক্ষ্য বান্ধি দিছে। খেলখনত পাকিস্তানে প্ৰথমে বেট ধৰি ৪৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৮৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে আমালৈ বাতৰি অহাৰ পৰলৈকে ১১ দশমিক ২ অভাৰত ২ উইকেট হেৰুৱাই ৫১ ৰান সংগ্ৰহ কৰি খেলি আছিল।

০০০০০০০

**সমাপ্ত**